**কৃষক ৰাইজলৈ গোহাৰি**

আমাৰ এই 'ঘৰে - পথাৰে' পত্রিকাখনিৰ ই-সংস্কৰণ মুকলি কৰা হৈছে। গতিকে কৃষক ৰাইজে আমাৰ ৱেব চাইট www.aau.ac.in লগ অন কৰি 'ঘৰে-পথাৰেৰ' ই-সংস্কৰণৰ সুবিধা গ্রহণ কৰিব পাৰিব।

মুখ্য সম্পাদক
'ঘৰে-পথাৰে'
সম্প্রসাৰণ শিক্ষা সঞ্চালকালয়
অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট

# ঘৰে-পথাৰে

পষেকীয়া কৃষি পত্রিকা

অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট


এই সংখ্যাত আছে -


| বিষয় | পৃষ্ঠা |
|---|---|
| ☐ মচুৰ মাহৰ উন্নত কৃষি পদ্ধতি .. | ২ |
| ☐ পৰম্পৰাগত থলুৱা খাদ্য সামগ্রীৰ | ২ |
| ☐ আমাৰ একাষাৰ .. .. | ৩ |
| ☐ মাহটোৰ কৃষিকৰ্ম .. .. .. | ৩ |
| ☐ উদ্যান শস্য .. .. .. | ৪ |



☐ ৪৩ তম্ বছৰ ☐ সংখ্যা ২১ ☐ ১ নৱেম্বৰ ২০২২ ☐ ১৬ - ৩০ কাতি, ১৯৪৪ শক ☐ মূল্য - ১.০০ টকা GHARE - PATHARE PMG - 19 of 2005 - 06


## অসম কৃষি বিশ্ববিদ্যালয়ত অনুষ্ঠিত

# কৃষক উৎপাদক সংস্থাৰ অভিবৰ্তন সম্পন্ন

অসম কৃষি বিশ্ববিদ্যালয়ৰ যোৰহাটস্থিত মূল চৌহদত সম্প্রসাৰণ শিক্ষা সঞ্চালকালয়ৰ সৌজন্যত কৃষি মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি যোৱা ২১ আৰু ২২ অক্টোবৰ তাৰিখে দুদিনীয়াকৈ কৃষক উৎপাদক সংস্থাৰ অভিবৰ্তনখনি অনুষ্ঠিত হৈ যায়। কৃষক উৎপাদক সংস্থাৰ এই অভিবৰ্তনখনি উদ্বোধন কৰি কৃষিমন্ত্রী কৃষিমন্ত্রী গৰাকীয়ে কয় যে কৃষি ক্ষেত্ৰত লোকেশ্যন ভিত্তিক গৱেষণা হ'ব লাগিব। উৎপাদিত শস্যৰ বজাৰ কৃষকসকলে পাব লাগিব। কৃষি যান্ত্রিকীকৰণত অধিক গুৰুত্ব আৰোপ কৰিব লাগিব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যখনৰ কৃষকসকলে ট্রেক্টৰ, পাৱাৰটিলাৰ আদি পাইছে যদিও ইয়াৰ সঠিক ব্যৱহাৰ হোৱা নাই। এই ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ যে মুখ্যমন্ত্রী গৰাকীয়ে দৈনিক ১০ হাজাৰ লিটাৰ গাখীৰ উৎপাদনত গুৰুত্ব দিছে। ৰাজ্যখনৰ কৃষি ক্ষেত্ৰত স্বনিৰ্ভৰশীল হ'বলৈ চৰকাৰৰ পৰা যি সঁহাৰি লাগিব, সেয়া আগবঢ়াব বুলি কৈ শিক্ষিত যুৱক-যুৱতীসকলক এই ক্ষেত্ৰত আগুৱাই আহিবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে কয় যে কৃষি ক্ষেত্ৰত আমাৰ পাৰিপাৰ্শ্বিকতা বহনক্ষম কৰি ৰাখিব




*অসম কৃষি বিশ্ববিদ্যালয়ত অনুষ্ঠিত কৃষক উৎপাদক সংস্থাৰ অভিবৰ্তনৰ উদ্বোধনী অনুষ্ঠানত গ্রন্থ উন্মোচন কৰা অৱস্থাত কৃষিমন্ত্রী অতুল বৰা, জনস্বাস্থ্য কাৰিকৰী আৰু পৰ্যটন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল*

অতুল বৰাই কয় যে ৰাজ্যখনত যোৱা দুটা বছৰৰ ভিতৰত গঢ় লৈ উঠা কৃষক উৎপাদক সংস্থাই উৎপাদিত সামগ্রীসমূহ বিদেশলৈ ৰপ্তানি কৰিছে। আনহাতে কৃষি বিজ্ঞান কেন্দ্ৰসমূহেও গ্ৰহণ কৰা ভূমিকাই কৃষিখণ্ডলৈ পৰিৱৰ্তন আনিছে। ভাষণত কৰিব লাগিব। কৃষকসকলক ৰাজসাহায্যযুক্ত কম্বাইন হাৰ্ভেষ্টাৰ, ৰাইচ মিল, মৌপালন আদি বিভিন্ন ক্ষেত্ৰত সুবিধা প্ৰদান কৰা হৈছে। চৰকাৰখনে গাখীৰ উৎপাদনত অধিক গুৰুত্ব আৰোপ কৰিছে বুলি সদৰী কৰি মন্ত্ৰীগৰাকীয়ে কয় পৰাটো সময়ৰ প্ৰত্যাহ্বান। জলবায়ুৰ পৰিবৰ্তিত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি অসম কৃষি বিশ্ববিদ্যালয়ে এই দিশত গৱেষণা কৰি পৰামৰ্শ আগবঢ়াইছে। বিশ্ববিদ্যালয়খনৰ নতুন নতুন

(৪ পৃষ্ঠাৰ ৩ কলমত চাওক)

## ছবিধ ৰবিশস্যৰ এম এছ পি বৃদ্ধি

যোৱা ১৮ অক্টোবৰ তাৰিখে অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেটৰ বৈঠকত ২০২৩-২৪ বৰ্ষৰ বিপণন বতৰৰ বাবে কেইবাবিধো ৰবিশস্যৰ ন্যূনতম সমৰ্থন মূল্য নিৰ্ধাৰণ কৰা হয়। বৈঠকখনত ঘেঁহুৰ ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টলত ১১০ টকা, বুটৰ ১০৫ টকা, মচুৰ দাইলৰ ৫০০ টকা, সৰিয়হৰ ৪০০ টকা আৰু কুসুম্ভৰ ২০৯ টকা বৃদ্ধিৰ সিদ্ধান্ত লৈছে। কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ ঠাকুৰে এই তথ্য সদৰী কৰে। কেন্দ্ৰীয় মন্ত্ৰী ঠাকুৰে কয় যে কেবিনেটে ধাৰ্য কৰা ন্যূনতম সমৰ্থন মূল্য ২০২২-২৩ বৰ্ষত কৰা ৰবিশস্যৰ বাবেহে প্ৰযোজ্য হ'ব। এই শস্যবোৰ ২০২৩-২৪ বিপণন বতৰত বিক্ৰী কৰা হ'ব। কেন্দ্ৰীয় কেবিনেটৰ এই বৈঠকে ছবিধ ৰবিশস্যৰ ন্যূনতম সমৰ্থন মূল্য নিৰ্ধাৰণ কৰে। আনহাতে কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰা এক প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰা মতে ২০১৮ চনৰ কেন্দ্ৰীয় বাজেটত ঘোষণা কৰা অনুসৰি বৰ্তমান কৃষকসকলৰ বাবে শস্য উৎপাদন ব্যয়ৰ কমেও ডেৰগুণ অধিক ন্যূনতম সমৰ্থন মূল্য ধাৰ্য কৰা হৈছে।

## 'এক দেশ, এক সাৰ' আঁচনি শুভাৰম্ভ প্ৰধানমন্ত্ৰীৰ

যোৱা ১৭ অক্টোবৰ তাৰিখে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ৬০০ প্ৰধানমন্ত্ৰী কৃষক সমৃদ্ধি কেন্দ্ৰ আৰু 'এক দেশ, এক সাৰ' যোগানৰ লক্ষ্যৰে 'প্ৰধানমন্ত্ৰী ভাৰতীয় জন উৰ্বৰক প্ৰযোজনা' নামৰ আঁচনি দুখন ভাৰ্চুৱেলী মুকলি কৰে। উক্ত আঁচনি উদঘাটন কৰি দিয়া ভাষণত এই আঁচনি দুখনৰ পৰা দেশৰ কৃষক সমাজ কেনেকৈ উপকৃত হ'ব, সেই বিষয়ে প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। এই



কেন্দ্ৰসমূহ কেৱল সাৰ বিক্ৰী কেন্দ্ৰ নহয়, বৰং কৃষকৰ সৈতে এক আত্মিক সম্পৰ্ক গাঢ় কৰাৰ মাধ্যমস্বৰূপ বুলি তেখেতে অভিহিত কৰে। দেশৰ ৩.৫ লাখ খুচুৰা সাৰ বিক্ৰী দোকানক প্ৰধানমন্ত্ৰী কৃষক সমৃদ্ধি কেন্দ্ৰলৈ ৰূপান্তৰ কৰা হ'ব। সেইদৰে প্ৰধানমন্ত্ৰী ভাৰতীয় জন উৰ্বৰক প্ৰযোজনাৰ অধীনত 'ভাৰত ব্ৰেণ্ড' নামৰ এক শ্ৰেণী সাৰ সমগ্ৰ দেশত উপলব্ধ হ'ব। ইয়াৰ ফলত বহনযোগ্য দৰত সমগ্ৰ দেশত একে মানৰ আৰু একে ব্ৰেণ্ডৰ সাৰ কৃষক সমাজে লাভ কৰিবলৈ সক্ষম হ'ব বুলি প্ৰধানমন্ত্ৰী গৰাকীয়ে ব্যক্ত কৰিছে। উল্লেখ্য নেন' সাৰ উৎপাদনত বৰ্তমান দেশখনে বহুখিনি অগ্ৰগতি লাভ কৰিছে। কম খৰচত নেন' ইউৰীয়া উৎপাদন সম্ভৱ হৈছে। নতুন প্ৰযুক্তিৰে উৎপাদন কৰা নেন' ইউৰীয়াৰ পৰিবহন ব্যয় তাৎপৰ্যপূৰ্ণভাৱে কম। এটা বটলৰ নেন' ইউৰীয়াৰ পৰিবহন ব্যয় আগৰ তুলনাত নিশ্চয়কৈ যথেষ্ট কম। প্ৰধানমন্ত্ৰীয়ে দেশত এতিয়া ৩.২৫ লাখ সাৰ বিক্ৰী কেন্দ্ৰক প্ৰধানমন্ত্ৰী কৃষক সমৃদ্ধি কেন্দ্ৰলৈ ৰূপান্তৰ কৰিবলৈ দেশব্যাপী প্ৰচাৰ চলোৱাত গুৰুত্ব আৰোপ কৰে। এই ভাৰ্চুৱেল অনুষ্ঠানতে প্ৰধানমন্ত্ৰীৰ কৃষক সন্মান নিধিৰ ১৬ হেজাৰ কোটি টকাও মুকলি কৰি দিয়ে। প্ৰধানমন্ত্ৰী গৰাকীয়ে নতুন দিল্লীত দুদিনীয়াকৈ অনুষ্ঠিত 'পি এম কৃষক সন্মান সন্মিলন ২০২২' উদঘাটনৰ পাছত উক্ত আঁচনি মুকলি কৰে। ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ উদ্যোগত নতুন দিল্লীত অনুষ্ঠিত সন্মিলনত ১৩,৫০০ কৃষক আৰু ১,৫০০ কৃষি ষ্টাৰ্টআপক সমবেত কৰা সম্ভৱ হৈ উঠিছে।

## অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত বিভিন্ন কৃষি বিজ্ঞান কেন্দ্ৰত

# প্ৰধানমন্ত্ৰী কৃষক সন্মান সন্মিলন সম্পন্ন

**কৃষি বিজ্ঞান কেন্দ্ৰ, বাক্সা ঃ** যোৱা ১৭ অক্টোবৰ তাৰিখে বাক্সা কৃষি বিজ্ঞান কেন্দ্ৰই বৰিমাখাটত কৃষক সন্মান সন্মিলনৰ আয়োজন কৰে। এই সন্মিলনত বি টি চিৰ কৃষি বিভাগৰ কাৰ্যবাহী সদস্য ঘনশ্যাম দাসে অংশগ্ৰহণ কৰি কয় যে কৃষিৰ ওপৰতে দেশৰ অৰ্থনীতি নিৰ্ভৰ কৰে। কৃষকৰ পৰিশ্ৰম আৰু পৰিকল্পনাৰ ওপৰতে দেশৰ জনসাধাৰণে খাদ্যমুঠি লাভ কৰে। সেয়ে কৃষকসকল সন্মানিত ব্যক্তি। কৃষকসকলে অধিক উৎপাদনৰ জৰিয়তে যাতে অৰ্থনীতি মজবুত কৰিব পাৰে তাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিব লাগিব। সাম্প্ৰতিক সময়ত কৃষকসকলে প্ৰাকৃতিক তথা জৈৱিক কৃষি পদ্ধতিৰ ওপৰত মনোনিবেশ কৰাৰো প্ৰয়োজন আহি পৰিছে। কেন্দ্ৰটোৰ জ্যেষ্ঠ বিজ্ঞানী তথা মূৰব্বী ড° উৎপলজ্যোতি শৰ্মাই

(৪ পৃষ্ঠাৰ ১ কলমত চাওক)

# মচুৰ মাহৰ উন্নত কৃষি পদ্ধতি

ধান অসমৰ প্ৰধান খাদ্য শস্য যদিও খাদ্য তালিকাত মাহজাতীয় শস্যৰ প্ৰয়োজনীয়তা অতি বেছি কাৰণ মাহজাতীয় শস্যই আমাৰ শৰীৰৰ বাবে প্ৰয়োজনীয় প্ৰ'টিনৰ যোগান ধৰে। আমাৰ ৰাজ্যত ৰবি বতৰত কৰা মাহজাতীয় শস্যসমূহৰ ভিতৰত মচুৰ মাহ অন্যতম। এনেয়ে অসমত মাহজাতীয় শস্যৰ প্ৰসাৰতা যথেষ্ট কম দেখা যায়। তাৰোপৰি যিখিনি কৃষি ভূমিত মাহজাতীয় শস্যৰ খেতি কৰা হয় সেইখিনিৰো উৎপাদন কম। অসমত মাহজাতীয় শস্যৰ উৎপাদন স্থবিৰ হোৱাৰ অন্যতম কাৰণ হৈছে ইয়াৰ মাটি অম্লযুক্ত। সেই বাবে অসমৰ মাটি মাহজাতীয় শস্যৰ বাবে উপযুক্ত নহয়। তদুপৰি বীজৰ বাবে চুবুৰীয়া ৰাজ্যৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হোৱাৰ বাবে কৃষক ৰাইজক সময়মতে বীজৰ যোগান ধৰিব পৰা নাযায়। বাৰিষা বতৰ পলমকৈ শেষ হোৱাৰ বাবে মাহজাতীয় শস্য সিঁচিব পৰাকৈ মাটিৰ অনুকুলতাত বাধাৰ সৃষ্টি হয়। মচুৰ মাহৰ লগতে অন্যান্য মাহজাতীয় শস্যৰ খেতিৰ লগত বিভিন্ন সমস্যা জড়িত হৈ থাকিলেও বিজ্ঞানসন্মতভাৱে মচুৰ মাহৰ খেতি কৰি উৎপাদন বঢ়োৱাৰ যথেষ্ট থল থকা দেখা যায়। অসমত ভদীয়া বানৰ ক্ষয়-ক্ষতি পূৰণ কৰিবলৈ ৰবিশস্যৰ এক সুনিৰ্দ্দিষ্ট আঁচনিৰ প্ৰয়োজন হ'ব। সেয়েহে ৰবি শস্য হিচাপে মচুৰ মাহৰ খেতি কৰি এনে ক্ষয়-ক্ষতি পূৰণ কৰিব পৰা যায়।

**মাটি নিৰ্বাচন ঃ** প্ৰায় সকলো ধৰণৰ মাটিতে মচুৰ মাহৰ খেতি কৰিব পৰা যায় যদিও সহজতে পানী ওলাই যাব পৰা পলসুৱা বা অধিক পলসুৱা মাটি নিৰ্বাচন কৰিব লাগে। অধিক অম্লযুক্ত মাটি মচুৰ মাহৰ বাবে উপযুক্ত নহয়। সেয়েহে মাটিৰ অম্লতা উপযুক্ত পৰিমাণলৈ (৬.০) আনিবৰ বাবে গুটি সিঁচাৰ ১৫ দিনৰ আগেয়ে মাটিডৰাত চুণ প্ৰয়োগৰ ব্যৱস্থা কৰিলে অধিক সুফল পোৱা যায়।

**মূল পথাৰ প্ৰস্তুতি ঃ** মচুৰ মাহৰ খেতি কৰিবৰ বাবে মাটিডৰা ৩-৪ বাৰ হালবাই মৈয়াই সমান কৰি ল'ব লাগে। এনেকৈ মাটি প্ৰস্তুত কৰিলে গুটি সিঁচাৰ বাবে উপযোগী হৈ পাৰে। অৱশ্যে যিবোৰ মাটিত শালিধান কটাৰ ২০-২৫ দিন আগতে অৰ্থাৎ মাটিডৰাত জীপ থাকোতে মচুৰ মাহৰ গুটি সিঁচি দিয়ে, সেইবাবে মাটিত হাল-কোৰ মৰাৰ কষ্টৰ পৰা খেতিয়কসকলে ৰেহাই পায়।

**বীজ সিঁচাৰ সময় ঃ** মচুৰ মাহৰ বাবে বীজ সিঁচাৰ উপযুক্ত সময় হৈছে অক্টোবৰ মাহৰ মাজভাগৰ পৰা নবেম্বৰ মাহৰ মাজ ভাগলৈ। অৰ্থাৎ কাতি মাহেই বীজ সিঁচাৰ বাবে উপযুক্ত সময়। মচুৰ মাহৰ বাবে সময়মতে বীজ সিঁচাতো অতি প্ৰয়োজনীয় কথা। অন্যথাই উৎপাদন আশা কৰা মতে পোৱা নাযায়।

**জাত নিৰ্বাচন ঃ** মচুৰ মাহৰ খেতি কৰিবৰ বাবে অসম কৃষি বিশ্ববিদ্যালয়ে অনুমোদন জনোৱা জাত কেইবিধ হৈছে - **১) এইচ ইউ এল-৫৭; ২) অসম মচুৰ-১** (এচ এল ২-২৪) আৰু **২) অসম মচুৰ-২** (এচ এল ২-২৮)। মচুৰ মাহ সিঁচিবৰ বাবে হেক্টৰে প্ৰতি ৩০ কিঃগ্ৰাঃ বা বিঘাই প্ৰতি ৪ কিঃগ্ৰাঃ বীজৰ প্ৰয়োজন হয়। মচুৰ মাহৰ বাবে দুটা শাৰীৰ মাজত ২৫ ছেঃ মিঃ আৰু দুজোপা গছৰ মাজত ৫-৭ ছেঃমিঃ ব্যৱধান ৰাখিব লাগে।

**সাৰ প্ৰয়োগ ঃ** শস্যৰ পৰিপুষ্টি সাধনৰ বাবে জৈৱিক আৰু ৰাসায়নিক দুয়োবিধ সাৰেই প্ৰয়োগ কৰিব লাগে। জৈৱিক সাৰে মাটিৰ উৰ্বৰতা আৰু ইয়াৰ প্ৰয়োজনীয় গুণাগুণ অটুত ৰখাৰ উপৰিও মাটিৰ পানী ধৰি ৰাখিব পৰা ক্ষমতা বঢ়ায়। সেয়েহে মাটি প্ৰস্তুতিৰ সময়তে বিঘাই প্ৰতি পৰ্য্যাপ্ত পৰিমাণে গোবৰ বা পচন সাৰ পথাৰত প্ৰয়োগ কৰিব লাগে। ৰাসায়নিক সাৰৰ ক্ষেত্ৰত বিঘাই প্ৰতি ৪.৫ কিঃগ্ৰাঃ ইউৰীয়া আৰু ৩০ কিঃগ্ৰাঃ একক চুপাৰ ফচফেট সাৰ শেষৰ বাৰ হাল বোৱাৰ সময়ত মাটিত প্ৰয়োগ কৰিব লাগে।

**বন-বাত নিয়ন্ত্ৰণ ঃ** মচুৰ মাহৰ গুটি সিঁচাৰ ২০-২৫ দিনৰ পিছত এবাৰ বন-বাত নিৰণি কৰি দিব লাগে। সময়মতে বন-বাত নিৰণি কৰি দিলে মচুৰ মাহৰ উৎপাদন যথেষ্ট পৰিমাণে বাঢ়ে।

**পানী যোগান ঃ** আমাৰ ৰাজ্যত সাধাৰণতে জলসিঞ্চনৰ সুবিধা নথকা ঠাইতহে মচুৰ মাহৰ খেতি কৰা দেখা যায়। মচুৰ মাহৰ শিপা গভীৰলৈ সোমাই থাকে বাবে প্ৰথম অৱস্থাত পানী যোগানৰ ব্যৱস্থা নকৰিলেও হয়। মাটিত থকা জীপকণেই যথেষ্ট। যিবোৰ ঠাইত জলসিঞ্চনৰ সুবিধা আছে সেইবোৰ ঠাইত প্ৰয়োজন অনুযায়ী গুটি লগাৰ সময়ত পাতলকৈ এবাৰ জলসিঞ্চন কৰিব পাৰিলে সুফল পোৱা যায়।

**ড° ৰণজিৎ কুমাৰ সাউদ**

# পৰম্পৰাগত থলুৱা খাদ্য সামগ্ৰীৰ বিপণন ঃ গ্ৰামীণ মহিলাৰ অৰ্থনৈতিক সৱলীকৰণৰ এক সোণালী সুযোগ

বৰ্তমান মহঙা বজাৰৰ দিন। নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ পৰা খাদ্য সামগ্ৰী, পোছাক-পৰিচ্ছদ সকলোৰে মূল্য আকাশ লংঘী হৈ পৰিছে। শিশুসকলক সু-স্বাস্থ্য প্ৰদান, শিক্ষাৰ পৰা সংস্থাপন প্ৰদান কৰালৈকে সকলোতে ব্যয়ৰ পথ সুগম হৈ আছে। এনে ক্ষেত্ৰত পৰিয়াল এটিক অৰ্থনৈতিক তথা সামাজিকভাৱেও চচ্ছল কৰি ৰাখিবৰ বাবে পৰিয়ালৰ মহিলাসকলৰ ভুমিকা নিতান্ত প্ৰয়োজনীয় হৈ পৰিছে। আমাৰ পুৰুষতান্ত্ৰিক সমাজব্যৱস্থাত মহিলাৰ মনঃস্তাতিকত উৰ্পাজন তথা আয়ৰ চিন্তা কৰিবলৈ দিয়া হোৱা নাছিল। মহিলাইসুকলমে পৰিয়ালটি আদৰ যত্ন কৰি চলাই নিয়াতে গুৰুত্ব দিয়া হৈছিল। বিংশ শতিকাত কিন্তু এই চিন্তাৰ আমূল পৰিৱৰ্তন ঘটিছে। এই শতিকাৰ বালিকাসকলৰ মনঃস্তাতিকত পুৰুষ-মহিলাৰ বিভেদ হয়তো কোনো ক্ষেত্ৰতে নাথাকিব। কিন্তু ইয়াৰ আগৰ সৰহ সংখ্যক মহিলাই বিশেষকৈ গ্ৰামীণ মহিলাসকলে উপাৰ্জনৰ চিন্তা বৰ্তমানৰ চাহিদাতে জীৱনৰ আদবাটত কৰিব লগা হৈছে। ইএক শুভ চিন্তা। অসমৰ জনগাঠনিত পৰিসংখ্যাৰ ফালৰ পৰা পুৰুষ আৰু মহিলাৰ সংখ্যা প্ৰায় সমান। অসমৰ মুঠ জনসংখ্যাৰ প্ৰায় ৩.১২ কোটি ইয়াৰে ১.৫৯ কোটি পুৰুষ আৰু ১.৫২ কোটি মহিলা। মুঠ জনসংখ্যাৰ প্ৰায় ৪৬ লক্ষ্য ৬ বছৰ বয়সৰ তলৰ শিশু। ইয়াৰ উপৰি মুঠ জনসংখ্যাৰ ৪ শতাংশতকৈও অধিক লোক ৬৫ বছৰৰ উৰ্দ্ধৰ । গতিকে দেখা যায় সমাজ এখনত উপাৰ্জন সক্ষম পুৰুষতকৈ সেই পুৰুষৰ ওপৰত নিৰ্ভৰশীল ব্যক্তিৰ সংখ্যা যথেষ্ট বেছি। গতিকে উপাৰ্জন সক্ষম মহিলাৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতিৰ ক্ষেত্ৰত যথেষ্ট ভুমিকা আছে। কিন্তু কেঁচা সামগ্ৰীৰ অভাৱ, প্ৰস্তুতকৰণ সঁজুলিৰ অভাৱ, প্ৰস্তুতকৰণৰ বাবে প্ৰয়োজনীয় দীঘলীয়া সময়ৰ অভাৱ, প্ৰস্তুতকৰণ বিধি ও কুশলতাৰ অভাৱৰ ফলতে এনে সামগ্ৰীৰ এখন সুন্দৰ বজাৰ নগৰ তথা গ্ৰামাঞ্চলতো গঢ়ি উঠিছে। বহুতো গ্ৰামীণ কৰ্মী মহিলাই এই সুযোগ গ্ৰহণ কৰি ঘৰুৱা উদ্যোগ গঢ়ি তুলিছে আৰু সুন্দৰ উপাৰ্জনৰ পথ তৈয়াৰ কৰি নিজৰ লগতে বহুতক সহায় কৰিছে।

বজাৰত উপলব্ধ কৰিব পৰা বিভিন্ন পৰম্পৰগত থলৱা খাদ্য সামগ্ৰী সমূহ হ'ল– কোমল চাউল, ভজা চাউল, চিৰা, মুৰি, হুৰুম, সান্দহ, তিল পিঠা, তেল পিঠা, মিঠৈ, তিলৰ লাৰু, নাৰিকৰ লাৰু, পিঠা গুড়ি, চুঙা পিঠা, চুঙা চাউল, টোপোলা ভাত, চুঙাত দিয়া মাংস, খৰিকাত দিয়া শুকান মাংস ইত্যাদি। এই খিনিতে উল্লেখ কৰিব পাৰি যে শিৱসাগৰ জিলাত কৃষি বিজ্ঞান কেন্দ্ৰ, শিৱসাগৰৰ তত্বাৱধানত হাঁহচৰা চেতিয়া গাওঁৰ প্ৰভাতী যুটীয়া দায়বদ্ধ আত্মসহায়ক গোটে আৰু বেংমুৰীয়া কোৱঁৰ গাওঁৰ তিনি জা-জোৱালী পুৰবী, সুস্মিতা আৰু লিপিকা কোঁৱৰে কেৱল চাউলৰ পৰা তৈয়াৰী পৰম্পৰাগত থলুৱা খাদ্যৰ বিপণন কৰি বছৰি মুঠ ২-৪ লাখ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। (বাৰ্ষিক প্ৰতিবেদন, ২০১৮-১৯, কৃষি বিজ্ঞান কেন্দ্ৰ শিৱসাগৰ)।

**থলুৱা খাদ্য সামগ্ৰী বিপণনৰ সমস্যা ঃ**

◆থলুৱা খাদ্যসামগ্ৰী প্ৰস্তুতকৰণত কোনো ধৰণৰ সংৰক্ষিত দ্ৰব্য ব্যৱহাৰ কৰা নহয় ফলত এই বিলাকৰ সংৰক্ষণ কাল যছেষ্ট চমু। গতিকে প্ৰস্তুতকৰ্তাই একে সময়তে সৰহ পৰিমাণত এনে খাদ্য প্ৰস্তুত কৰি মজুত কৰি ৰাখিব নোৱাৰে।

◆ থলুৱা পৰম্পৰাগত খাদ্য সামগ্ৰীৰ পেকেজিঙৰ কোনো বিজ্ঞানভিত্তিক গৱেষণা নোহোৱাৰ ফলত সামগ্ৰী অনুসৰি পেকেজিং হোৱা নাই। উন্নত মানদণ্ডৰ পেকেজিং সামগ্ৰী স্থানীয় বজাৰত উপলব্ধও নহয়।

◆সৰহ সংখ্যক পৰম্পৰাগত থলুৱা খাদ্য ধানজাতীয় শস্যৰ পৰাই প্ৰস্তুত কৰা হয়। দেখা যায় যে থলুৱা জাতৰ ধানৰ পৰা প্ৰস্তুত কৰা খাদ্য সামগ্ৰী বেছি সোৱাদযুক্ত হয় লগতে দীঘলীয়া সময়লৈ সংৰক্ষণ কৰি ৰাখিব পৰা যায়। যেনে বকুল বৰা, ঘিউ বৰা, চকুৱা বৰা ইত্যাদি। কিন্তু বৰ্তমান থলুৱা ধানৰ জাতৰ কৃষি কমি অহাৰ ফলত সমস্যাই দেখা দিছে।

**থলুৱা পৰম্পৰাগত খাদ্যসামগ্ৰী বিপণন বৃদ্ধিৰ কিছু গুৰুত্বপূৰ্ণ দিশ ঃ**

◆ খাদ্য প্ৰস্তুতকৰণত পৰম্পৰাগত প্ৰস্তুতকৰণ পদ্ধতিৰ ব্যৱহাৰ।

◆বিজ্ঞানসন্মত তথা স্বাস্থ্যসন্মত সুৰক্ষিত পেকেজিং পদ্ধতিৰ ব্যৱহাৰ। যাৰ দ্বাৰা খাদ্যবিধ আৰ্কষণীয় আৰু তাৰ গুণাগুণ অক্ষুণ্ণ ৰাখি দীঘলীয়া সময়লৈকে সংৰক্ষণ কৰিব পৰা যাব।

প্ৰস্তুতকৰণও বিপননৰ সময়ত স্বাস্থ্যসন্মত সুৰক্ষিত পেকেজিং পদ্ধতিৰ ব্যৱহাৰ। যাৰ দ্বাৰা খাদ্যবিধ আকৰ্ষণীয় আৰু তাৰ গুণাগুণ অক্ষুন্ন ৰাখি দীঘলীয়া সময়লৈকে সংৰক্ষণ কৰিব পৰা যাব।

◆প্ৰস্তুতকৰণ আৰু বিপণনৰ সময়ত স্বাস্থ্যসন্মত বিধি পালন কৰা, সতেজ, পুষ্টিকৰ, পৰিষ্কাৰ কেঁচা সামগ্ৰীৰ ব্যৱহাৰ, প্ৰস্তুতকৰণৰ প্ৰতিটো পৰ্য্যায়ত পৰিষ্কাৰ পৰিছন্নতাক অগ্ৰাধিকাৰ দিয়া প্ৰয়োজন। বহুক্ষেত্ৰত দেখা যায় গোটসমূহে প্ৰস্তুত কৰা মুৰি, হুৰুমত বালি, চিৰা ইত্যাদিত তুঁহ আৰু ধান, সান্দহতো বালি, ভালদৰে ৰ'দত নিদিয়া কোমল চাউল, তিল পিঠাৰ মাজত অপৰিষ্কাৰ তিল ইত্যাদি দেখা যায়। এনে কাৰ্যই গঢ়ি উঠা বজাৰখনৰ পৰিসৰ কমাই আনিব।

◆স্বাস্থ্যসন্মত উন্নত মানদণ্ডৰ মিহলি সামগ্ৰী ব্যৱহাৰ কৰা ভাল। যেনে তেল, ঘিউ, গুৰ ইত্যাদি উন্নত মানদণ্ডৰ হোৱা উচিত।

◆সকলো স্থানতে বিপণনৰ সুবিধাৰ বাবে খাদ্য সুৰক্ষা লাইচেন্স ৰ ব্যৱহাৰ কৰিলে ভাল হ'য়।

◆সকলো শ্ৰেণীৰ গ্ৰাহকক আকৰ্ষণ কৰিব পৰাকৈ পুষ্টিগুণ সন্নিবিষ্ট লেবেলৰ ব্যৱহাৰ কৰা প্ৰয়োজন।

◆ লেবেলত তৈয়াৰী পদ্ধতি ও মিশ্ৰণৰ উপাদান ও পৰিমাণে নতুন গ্ৰাহকক সান্দহ, কোমল চাউল ইত্যাদি সোৱাদযুক্ত কৰি খোৱাত সহায় কৰিব।

◆লেবেলত প্ৰস্তুতকৰণৰ তাৰিখ আৰু ম্যাদ উকলি যোৱা তাৰিখ লিপিবদ্ধ কৰাটো অতি প্ৰয়োজনীয়।

◆ থলুৱা খাদ্যসামগ্ৰী উপযুক্ত প্ৰণালীগতভাৱে মূল্য নিৰ্ধাৰণ কৰা প্ৰয়োজন। খাদ্যসামগ্ৰীৰ লগত মিল নথকা মূল্যইগ্ৰাহকৰ মনত বিৰূপ ধাৰণাৰ সৃষ্টি কৰিব পাৰে।

◆সোৱাদ, আকাৰ, আকৃতি, মিহলি সামগ্ৰীৰ ব্যৱহাৰ, পেকেজিঙৰ মানদণ্ড, প্ৰস্তুতকৰণৰ বয়স ইত্যাদিৰ ওপৰত নিৰ্ভৰ কৰি একেবিধ খাদ্যকে গ্ৰেডীং বা শ্ৰেণীবিভাগ কৰি মূল্য নিৰ্ধাৰণ কৰা প্ৰয়োজন। এনে কৰিলে গ্ৰাহকে পচন্দমতে উপযুক্ত মূল্যত উপযুক্ত খাদ্য পাব পাৰিব।

◆ জৈৱিক কেঁচাসামগ্ৰী তথা অনুমোদিত ৰাসায়নিক সাৰ ইতাদি ব্যৱহাৰ কৰি উৎপন্ন কৰা কেঁচাসামগ্ৰী খাদ্য প্ৰস্তুতকৰণত ব্যৱহাৰ কৰিব পাৰিলে এইব্যৱসায়ত এক নতুন গতি দিব পৰা যাব।

◆নতুন প্ৰজন্মক আৰ্কষিত কৰিবলৈ বা পুষ্টিগুণ বৃদ্ধি কৰি কিছু থলুৱা খাদ্যক পুষ্টিগুণত চহকী কৰিব পৰা যায়। উদাহৰণ স্বৰূপে টেকেলী পিঠা, ভাপ পিঠা, পাত পিঠা ইত্যাদিক নতুন উপাদান সংযোগেৰে আকৰ্ষণীয়ৰূপত হোটেল, ফাষ্টফুডৰ দোকানত বিক্ৰী কৰিব পৰা যায়।

◆মনত ৰখা দৰকাৰ পৰম্পৰাগত খাদ্যৰ লগত নৰূপ দিয়া এইবিলাকক সানমিহলী কৰি পৰম্পৰাগত খাদ্যসমূহক মাত্ৰ বিকৃত কৰিব নালাগে। দুয়োবিধ খাদ্যৰ বজাৰ পৃথকে কৰিব লাগে।

◆প্ৰস্তুত খাদ্যবিধৰ গুণগত মানদণ্ড যাতে সদায় অক্ষুন্ন থাকে তাৰ ওপৰত যত্নবান হ'ব লাগে। টেঙা আম বজাৰত এবাৰহে বেচিব পাৰি। এই আপ্ত বাক্যশাৰী মনত ৰখা প্ৰয়োজন।

পৰম্পৰাগত থলুৱা খাদ্যসামগ্ৰীৰ জনপ্ৰিয়তাৰ এই বজাৰখনৰ সুযোগ গ্ৰামীণ মহিলাসকলে গ্ৰহণ কৰিব লাগে। পৰম্পৰাগত থলুৱা খাদ্য প্ৰস্তুত কৰোঁতে যদি ওপৰোক্ত নিয়মাৱলী লগতে শুদ্ধ কৃষি পদ্ধতি পালন কৰিব পৰা যায় তেনেহ'লে আমাৰ গ্ৰামীণ মহিলাসকলে কেৱল আন্তঃৰাজ্যিকেই নহয় ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয়বজাৰ দখল কৰিবলৈ সমৰ্থৱান হ'ব।

**ড° তচ্লিমা বেগম**

আমাৰ একাষাৰ

# ঘৰ এখনত পৰিপুষ্টি বাগিছাৰ প্ৰয়োজনীয়তা

সু-স্বাস্থ্য ৰক্ষাত সুষম আহাৰৰ ভূমিকা যথেষ্ট। ইয়াৰ বাবে আমাৰ দৈনিক আহাৰত খাদ্য গোটৰ সকলো খাদ্যই অন্তৰ্ভূক্ত হোৱাটো অতি আৱশ্যকীয়। কিন্তু আমাৰ ভাৰতীয়সকলৰ খাদ্য ঘাইকৈ শৰ্কৰাযুক্ত আৰু দৈনিক আহাৰত ফল-মূল আৰু শাক-পাচলিৰ অন্তৰ্ভূক্তি অতি নগণ্য। সেইবাবে বৰ্ত্তমান সময়তো বিভিন্ন অভাৱজনিত ৰোগ প্ৰধানকৈ ভিটামিন আৰু খনিজ লৱণৰ বাবে হোৱা ৰোগসমূহ এতিয়াও আমাৰ মাজত বৰ্ত্তি আছে আৰু শাৰীৰিক সমস্যাৰ সৃষ্টি কৰি আছে। চৰকাৰৰ ফালৰ পৰা যদিও এই সমূহ প্ৰতিহত কৰিবলৈ বিভিন্ন আঁচনি হাতত লৈ থকা হৈছে তথাপিও আমাৰ দৈনিক আহাৰত ফল-মূল আৰু শাক-পাচলিৰ অন্তৰ্ভূক্তিয়েহে এই সমূহ অভাৱজনিত ৰোগৰ সমিধানৰ প্ৰকৃত উপায় হ'ব। স্বাস্থ্যকৰ আহাৰৰ মূল উপাদান হিচাপে প্ৰতিটো সাজতে ফল-মূল আৰু শাক-পাচলিৰ অন্তৰ্ভূক্তি অত্যন্ত প্ৰয়োজনীয়। কিন্তু এই ক্ষেত্ৰত আমি বেছি ভাগেই বজাৰৰ ওপৰতেই নিৰ্ভৰশীল। বিশ্ববেংকে আমাৰ দেশক এখনি নিম্ন মধ্যবিত্তৰ দেশৰ মৰ্য্যদা দিছে। যিহেতু এটা পৰিয়ালৰ খাদ্য গ্ৰহণ কৰাটো মূলতে ঘৰখনৰ উপাদান আৰু খাদ্য ক্ৰয় কৰা ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে আমাৰ ভাৰতবৰ্ষৰ দৰে এখন দেশত য'ত দৰিদ্ৰ সীমাৰেখাৰ তলতেই অধিকাংশ লোকে বাস কৰে আৰু তাত স্বাভাৱিকতেই দৈনন্দিন প্ৰয়োজনীয় খাদ্য ক্ৰয় কৰাটো যথেষ্ট কঠিন সমস্যা। কিন্তু আমি ফল-মূল আৰু শাক-পাচলিৰ কাৰণে বজাৰমুখী নহৈ ঘৰতে এখন পুষ্টি বাগিছা তৈয়াৰ কৰি ল'ব পাৰো। এই পুষ্টি বাগিছাত নিজৰ পচন্দ মতে গোটেই বছৰজুৰি শাক-পাচলি আৰু ফল-মূলৰ খেতি কৰিব পাৰি। লগতে এখন ভাল পুষ্টি বাগিছাৰ পৰা দৈনিক এখন ঘৰৰ কাৰণে প্ৰয়োজনীয় পাচলি সংগ্ৰহ কৰিব পাৰি। গতিকে এখন সুপৰিকল্পিকভাৱে পৰিচালনা কৰা পুষ্টি বাগিছাই ঘৰ এখনক খাদ্য সুৰক্ষা প্ৰদান কৰে।

পুষ্টি বাগিছাৰ সুবিধাসমূহ ঃ

১) ঘৰৰ গৃহিনী গৰাকীয়ে অনায়াসে প্ৰয়োজনীয় শাক-পাচলি যিকোনো সময়তে পুষ্টি বাগিছাৰ পৰা চিঙি আনিব পাৰে।

২) পুষ্টি বাগিছা পৰিয়ালটোৰ এটা আয়ৰ উৎস হিচাপেও পৰিগণিত হ'ব পাৰে, যেতিয়া পৰিয়ালটোৱে তেওঁলোকৰ অতিৰিক্ত উৎপাদনখিনি বিক্ৰী কৰিব পাৰিব। এনেদৰে পৰিয়ালটিৰ খাদ্য সামগ্ৰী ক্ৰয় কৰা ক্ষমতাও বৃদ্ধি পাব।

৩) ঘৰৰ সৰু-বৰ সকলো লোক নিয়োজিত হ'ব পাৰে কাৰণে শ্ৰমিকৰ মজুৰিত খৰচ কৰিব লগা নহয়।

৪) এখন পুষ্টি বাগিছাৰ বাবে অতি কম পৰিমাণৰ মাটিৰ আৱশ্যক হোৱা কাৰণে কম মাটিৰ গৰাকীয়েও অনায়াসে এখন ফল-মূল আৰু শাক-পাচলিৰে পৰিপূৰ্ণ বাছি গঢ়ি তুলিব পাৰে।

৫) বিনোদনৰ সাধন হিচাপেও কোনো লোক পুষ্টি বাগিছা গঢ় দিয়াত নিয়োজিত হ'ব পাৰে।

৬) পুষ্টি বাগিছাৰ পৰা আমি নিৰাপদ ফল-মূল আৰু শাক-পাচলি লাভ কৰিব পাৰো। কিয়নো এই বাগিছা কম মাটিত, জৈৱিক পদ্ধতিৰে ঘৰুৱা ভিত্তিত কৰা কাৰণে তাত পোক-পৰুৱা বা বন-বাত নিয়ন্ত্ৰণ কৰাটো সহজ হৈ পৰে আৰু কীটনাশককে ধৰি অন্যান্য ৰাসায়নিক দ্ৰব্যৰ প্ৰয়োগ অপ্ৰয়োজনীয় হৈ পৰে।

পুষ্টি বাগিছাত সাধাৰণতে প্ৰাধান্য দিয়া ফল-মূল আৰু শাক-পাচলি সমূহ আৰু সেইবিলাকত থকা পুষ্টিদ্ৰব্য তলত উল্লেখ কৰা হ'ল -

| শাক-পাচলি / ফল-মূল | পুষ্টিতত্ব |
|---|---|
| আলু, মিঠাআলু, কচু, বীট, কাঠআলু, পকা অমিতা, কল- | শৰ্কৰা - শক্তিদায়ক আহাৰ |
| মটৰ, বীন | - প্ৰটিন - দেহ গঠনকাৰী আহাৰ |
| গাজৰ, পালেং, বন্ধাকবি, মেথিশাক, ৰঙালাও নৰসিংহ পাত, মৰিচা, পকা অমিতা | - ভিটামিন 'এ' |
| মটৰ, বীন, লেটুচ, গাজৰ, বন্ধাকবি, কচু | - ভিটামিন 'বি' |
| পালেং, বিলাহী, নেমু, ফুলকবি, বন্ধাকবি | - ভিটামিন 'চি' |
| সেউজীয়া শাক-পাচলি | - ভিটামিন 'ই' |
| সেউজীয়া শাক-পাচলি,ব্ৰকলি | - ভিটামিন 'কে' |
| বীন, গাজৰ, বন্ধাকবি, ফুলকবি, লেটুচ, পালেং, মটৰ, বিলাহী, মৰিচা | - কেলচিয়াম |
| আলু, পালেং, গাজৰ, বিলাহী, তিয়ঁহ, ফুলকবি, মটৰ | - ফচফৰাচ |
| কল, মিঠাআলু, মূলা, তিতাকেৰেলা, বীন | - পটাছিয়াম |
| পদিনা, নৰসিংহ পাত, বিলাহী, মৰিচা, মটৰ, বীন | - আইৰণ |

যিহেতু দৈনিক আহাৰত এই কেইবিধ খাদ্য গোটৰ অভাৱে অপুষ্টি বিশেষকৈ ভিটামিন আৰু খনিজ লৱণৰ কাৰণে হোৱা বিভিন্ন অভাৱজনিত ৰোগৰ প্ৰধান কাৰক হিচাপে পৰিগণিত হয়। গতিকে এখন সু-পৰিকল্পিত পুষ্টি বাগিছাৰ পৰা আমি গোটেই বছৰজুৰি আমাৰ প্ৰয়োজনীয় শাক-পাচলি আৰু ফল-মূল আহৰণ কৰি সুস্থ-সবল স্বাস্থ্যৰ অধিকাৰী হ'ব পাৰো।

**শ্ৰীমতী মৃদুস্মিতা বৰঠাকুৰ**

# মাহটোৰ কৃষিকৰ্ম্ম

**১৫ আঘোণৰ পৰা ১৫ পুহ, ১৯৪৪ শক**


## পথাৰ শস্য

**বৰোধান ঃ**

**(১) জাত আৰু সিঁচাৰ সময় ঃ** কাতি আৰু আঘোণ মাহেই বৰোধানৰ কঠীয়া সিঁচাৰ উপযুক্ত সময় যদিও জয়মতী, দীননাথ, স্বনাৰ্ভ আৰু কণকলতা নামৰ জাতকেইটা পুহ মাহৰ ১৫ তাৰিখলৈকে সিঁচিব পাৰি।

বৰোধানৰ খেতিৰ বাবে কঠীয়াৰ বীজ শীতকালত সিঁচা হয় বাবে কঠীয়া বাঢ়োতে যথেষ্ট সময় লাগে। সেয়েহে সোনকালে কঠীয়া বাঢ়ি ৰুবৰ বাবে তলত দেখুৱাৰ ধৰণে পলিথিনৰ দ্বাৰা চৈ তৈয়াৰ কৰি লব লাগে।

বাহঁৰ কামিৰে কৰা ফ্ৰেমত পলিথিন লগাই বৰোধানৰ কঠীয়া তলীৰ ওপৰত দি থলে ৰ'দ আৰু গৰম সমানে পাব। কঠীয়া তলীৰ দৈৰ্ঘ্য বেছি হ'লে পলিথিনৰ ফ্ৰেম প্ৰয়োজন অনুসাৰে বঢ়াই লব পাৰে।




প্লাষ্টিকৰ চৈ (PLASTIC TUNNEL)

এনে ফ্ৰেম উঠাই নিব পৰাকৈ কৰিব আৰু ৰাতিৰ ভাগত কঠীয়া তলীত ঠাণ্ডা সোমাব নোৱাৰাকৈ চৈৰ কাষবোৰ মাটিৰে বা বোকাৰে বন্ধ কৰি দিব।

কঠীয়া উঠোৱাৰ ৭ দিন মান আগৰ পৰা দিনৰ ভাগত ১-২ ঘণ্টাকৈ ফ্ৰেম উঠাই থব। এনে কৰিলে মুকলি পৰিবেশৰ লগত কঠীয়াই নিজকে খাপ খুৱাই লব পৰা হয়।

পলিথিনৰ ফ্ৰেম আতঁৰোৱাৰ পদ্ধতি হ'ল কেই দিনমানৰ বাবে দিনে ১-২ ঘণ্টাকৈ তাৰ পিচত এদিন বা দুদিন। সময় আৰু বঢ়াই দি শেষৰ দুদিন একেবাৰে মুকলিকৈ ৰাখি পিচদিনা কঠীয়া উঠাই ৰুব লাগে।

**(৩) সাৰ প্ৰয়োগ ঃ**

১)দ' অঞ্চলত সাৰ প্ৰয়োগ নকৰিলেও হয়।

২)বিলৰ দাঁতিকাষৰীয়া অঞ্চলত মাটি তৈয়াৰ কৰোতেই বিঘাই প্ৰতি ১৮ কিলোগ্ৰাম চুপাৰ ফচফেট আৰু ৪ কিলোগ্ৰাম মিউৰিয়েট অৱ পটাচ প্ৰয়োগ কৰিব। কঠীয়া ৰোৱাৰ ২১-২৫ দিনৰ ভিতৰত ১২ কিলোগ্ৰাম ইউৰীয়া টপড্ৰেছিং হিচাপে প্ৰয়োগ কৰিব। পানী যোগান ধৰি কৰা খেতিত মাটি বোকা কৰাৰ সময়ত ৬ কিলোগ্ৰাম ইউৰীয়া, ২৭ কিলোগ্ৰাম চুপাৰ ফচফেট আৰু ৬ কিলোগ্ৰাম মিউৰিয়েট অৱ পটাচ প্ৰয়োগ কৰিব। বাকী থকা ইউৰীয়াৰ ৬ কিলোগ্ৰাম পোখা মেলাৰ সময়ত আৰু শেহৰ ৬ কিলোগ্ৰাম গেৰেলী মেলাৰ সময়ত মাটিত প্ৰয়োগ কৰিব। মাটি তৈয়াৰ কৰাৰ সময়ত একক চুপাৰ ফচফেট দিব নোৱাৰিলে পোখা মেলাৰ সময়ত ইউৰীয়াৰ লগত দিবও পাৰে।

**কঠীয়া ৰোৱাৰ পদ্ধতি আৰু সময় ঃ** বৰোধানৰ কঠীয়াৰ বয়স ৪০-৫০দিন হলে নাইবা কঠীয়াবিলাক ৪/৫ পতীয়া হ'লে পথাৰত ৰোৱাৰ ব্যৱস্থা কৰিব।

**কঠীয়া ৰোৱাৰ দূৰত্ব আৰু গভীৰতাঃ** পথাৰত ৰোওতে শাৰীৰ ব্যৱধান ২৫ চেঃমিঃ আৰু গোছৰ ব্যৱধান ২০ চেঃমিঃ কৈ দিব। কঠীয়াবিলাক ৫ চেঃমিৰ অধিক গভীৰতাত নুপুতিব। কঠীয়া মৰি খালি হোৱা গোছাবিলাক ৭-১০ দিনৰ ভিতৰত পূৰ কৰি দিব।

**ঘেহুঁ ঃ**

জলসিঞ্চনৰ ব্যৱস্থা থকা অঞ্চলত এই সময়ত দ্বিতীয়বাৰৰ বাবে ঘেহুঁ খেতিত পানী যোগান ধৰিব লাগে। বীজ সিঁচাৰ ৭০-৭৫ দিনৰ পিচত ঘেহুঁৰ ফুল মেলিবলৈ আৰম্ভ হয়। এই সময়ত পানী যোগান ধৰিলে শস্যৰ ঠোকবিলাক সবল আৰু পূৰঠ হোৱাত সহায়ক হয়। পানীৰ গভীৰতা ৬ চেঃমিঃ পৰিমাণ হোৱা উচিত। লুজস্মাট বেমাৰৰ দ্বাৰা আক্ৰান্ত গছ দেখা পালে উঘালি মাটিত পুতি নাইবা পুৰি পেলাব।

এন্দুৰৰ উপদ্ৰৱৰ পৰা শস্য ডৰা ৰক্ষা কৰিবৰ বাবে এটা বা দুটাকৈ চেলফচ্ নাইবা কুইকফচ্ বড়ি প্ৰতিটো গাঁতত প্ৰয়োগ কৰিব। ইয়াৰ পৰিবৰ্ত্তে জিঙ্ক ফচফাইদ বিহৰ টোপ তলত দিয়াৰ অনুপাতে তৈয়াৰ কৰি এন্দুৰ অহা যোৱা বাটত ৰাখি খাবলৈ দিও সিহঁতক ধ্বংস কৰিব পাৰি।

(১) আটা বা মাকৈৰ গুড়ি ৮০ গ্ৰাম (২) গুৰ ১০ গ্ৰাম (৩) শুকান বা ভজা মাছ ৫ গ্ৰাম (৪) জিঙ্ক ফচফাইদ এই আটাইবিলাক একেলগে মিহলাই সৰু সৰু একোটা লাড়ু কৰি গাঁতৰ আশে পাশে ৰাখি এন্দুৰক খাবলৈ দি মাৰিব পাৰি।

**কুঁহিয়াৰ ঃ**

কুঁহিয়াৰ চপোৱাৰ সময়ত অপৈণত পোখাবিলাক কাটি গুচাই দিব। সবল নিৰোগী আগবিলাক সঁচৰ বাবে বাছি ৰাখিব। অতি শুকান বতৰত ঢিপবোৰ ভাঙি নিদিব। তেতিয়া মাটি আৰু শুকাই যাব। অতি ঠাণ্ডা বতৰত শুকান পাতবোৰ আতঁৰাই দিলে আৰু খৰাং হোৱাৰ সম্ভাৱনা থকাৰ লগতে গজালি ওলোৱা পলম হয়।

**ড° ৰণজিৎ কুমাৰ সাউদ**

## উদ্যান শস্য

অসমৰ মাটি আৰু জলবায়ু অনুসৰি বাৰ মাহে অসমৰ পথাৰত নানা ধৰণৰ শাক-পাচলি আৰু ফল-মূলৰ খেতি কৰা হয়। এই শস্যবোৰৰ প্ৰতিপালন ব্যৱস্থাৰ ওপৰতো উৎপাদন আৰু শস্যৰ গুণগত মানদণ্ড বহুতখিনি নিৰ্ভৰ কৰে। গতিকে আঘোণ মাহৰ পথাৰখনত হোৱা শাক-পাচলি আৰু ফল-মূলৰ শস্যৰ প্ৰতিপালনত চকু দিও আহকচোন।

আঘোণ মাহৰ পথাৰত খেতি কৰা ফুলকবি, বন্ধা কবি আৰু ওল কবি শস্যৰ তলীৰ পৰা বন-বাতবোৰ নিৰাই দিয়ক। দিবলৈ বাকী থকা ইউৰীয়া সাৰ ভাগ (বিঘাই প্ৰতি ১১ কিলোগ্ৰাম দুটা শাৰীৰ মাজত গোবৰৰ লগত মিহলাই প্ৰয়োগ কৰক। গছৰ গুৰিত পাতলীয়াকৈ মাটি চপাই দিয়ক। আগতীয়া সঁচৰ ফুলকবিবোৰ চপাই আনক। চপাবলগীয়া কবি বা অন্য শাক-পাচলিত ১৫-২০ দিনৰ আগত কেতিয়াও পোক বা বেমাৰ নিবাৰণৰ দৰব প্ৰয়োগ নকৰিব। পাতযুক্ত শাক-পাচলিত পৰাপক্ষত দৰব প্ৰয়োগ নকৰাই ভাল। আঘোণ মাহতো পথাৰত লাই, লফা, পালেং, ধনীয়া, মূলা আদিৰ শস্যৰ বীজ সিঁচিব পাৰি। পলম হৈছে যদিও লৰালৰিকৈ গাজৰৰ বীজ সিঁচক।

(৪ পৃষ্ঠাৰ ১ কলমত চাওক)

(৩ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

## উদ্যান শস্য

বেঙেনা, বিলাহীৰ শস্যৰ পুলি ৰোপণ কৰক। কাতি মাহত ৰোপণ কৰা বেঙেনা, বিলাহী শস্যৰ তলিত দিবলৈ বাকী থকা দ্বিতীয় ভাগ ইউৰীয়া সাৰ (বিঘাই প্ৰতি ১০-১২ কিঃ গ্ৰাঃ) গছৰ গুৰিত গোবৰৰ লগত মিহলাই প্ৰয়োগ কৰক। সাৰ প্ৰয়োগ কৰাৰ আগতে বন-বাতবোৰ নিৰাই লওক আৰু সাৰ প্ৰয়োগ কৰাৰ সময়ত পাতলীয়াকৈ মাটি চপাই দিয়ক। বেঙেনাৰ আগ বিন্ধা কৰা পোকৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ হ'লে সাৰ প্ৰয়োগ কৰিবৰ সময়ত গছে প্ৰতি তিনি গ্ৰামকৈ ফুৰাদন প্ৰয়োগ কৰক। আগতীয়াকৈ ৰোপণ কৰা বেঙেনা শস্যৰ গুৰিত মাটি চপাই দিয়ক আৰু চপাব লগীয়া বেঙেনাবোৰ চিঙি আনক।

আলু শস্যৰ তলিত প্ৰথমবাৰ পাতলীয়াকৈ মাটি চপাই দিয়ক। মাহৰ শেষলৈ প্ৰতিষেধক হিচাবে ইন্দোফিল এম ৪৫ দৰবৰ দশমিক দুই শতাংশ শক্তিৰ (দুই গ্ৰাম দৰব একলিটাৰ পানী হিচাবে মি হলাই) মিশ্ৰণ ছটিয়াই দিয়ক। জলকীয়া শস্যৰ বাবে পুলি বাৰীত বীজ সিঁচক। লগে লগে পুলি ৰোৱাৰ বাবে পথাৰখন হালকোৰ মাৰি অনুমোদিত সাৰ-গোবৰ প্ৰয়োগ কৰি প্ৰস্তুত কৰক।

ফল-মূল শস্যৰ পথাৰখনলৈ যদি চাই পঠিয়াই তেন্তে কল শস্যৰ বাগিচাত মাটিৰ জীপ ৰাখিব পৰা ব্যৱস্থা যেনে - জাবৰ-জোথৰ চপাই দিয়া, ধানৰ নৰা বা খেৰ আদি বা শুকান গছৰ পাত, কল গছৰ গুৰিত জাপি দিয়ক। মাটিত জীপ ৰাখিবৰ বাবে পলিথিন কাপোৰো ব্যৱহাৰ কৰিব পাৰে। প্ৰয়োজন সাপেক্ষে বন-বাতবোৰ নিৰাই দিয়ক। কলডিল নেলোৱা গছৰ গুৰিৰ পৰা পোখা পুলিবোৰ সাৱধানে আতৰাই দিয়ক আৰু গুৰিত মাটি চপাই দিয়ক। নাৰিকল আৰু তামোল শস্যৰ গুৰিতো জীপ ৰাখিবৰ বাবে কল শস্যত কৰাৰ দৰে ব্যৱস্থা লব পাৰে নতুবা প্ৰতি ১৫ দিনৰ ব্যৱধানত এবাৰ পানী দিয়াৰ ব্যৱস্থা কৰিব পাৰে।

**ড° ৰাজেন্দ্ৰ প্ৰসাদ দাস**
(অৱসৰী অধ্যাপক, অঃকৃঃবিঃ)

(১ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

## প্ৰধানমন্ত্ৰী কৃষক সন্মান সন্মিলন

আদৰণী ভাষণ প্ৰদান কৰি কৃষকসকলক নতুন নতুন প্ৰযুক্তিৰে কৃষিকাৰ্য কৰি আগবাঢ়ি যাবলৈ পৰমৰ্শ দিয়ে। কেন্দ্ৰটোৰ উদ্যান শস্যৰ বিষয়বস্তু বিশেষজ্ঞ ৰক্তিম বৰুৱাই আঁত ধৰা অনুষ্ঠানটোত জিলাখনৰ বিভিন্ন প্ৰান্তৰ প্ৰায় তিনিশতাধিক কৃষক উপস্থিত থকা সন্মিলনখনত প্ৰধানমন্ত্ৰীৰ ভাষণ ৱেব কাষ্টিঙৰ জৰিয়তে প্ৰদৰ্শন কৰা হয়।

**কৃষি বিজ্ঞান কেন্দ্ৰ, কোকৰাঝাৰ ঃ** যোৱা ১৭ অক্টোবৰ তাৰিখে কোকৰাঝাৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগতো কৃষক সন্মান সন্মিলনৰ আয়োজন কৰা হয়। কেন্দ্ৰটোৰ বিজ্ঞানী প্ৰিয়ংকা বৰাই আঁত ধৰা অনুষ্ঠানটোত মুখ্য অতিথি গোসাইগাঁৱৰ বিধায়ক জিৰণ বসুমতাৰীয়ে এগছী বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। বিধায়ক গৰাকীয়ে কৃষক ৰাইজক কৃষি কৰ্মৰ প্ৰতি পূৰ্বতকৈ আৰু অধিক আগ্ৰহেৰে নিয়োজিত হৈ নিজৰ তথা দেশৰ উন্নয়নত সহায়ক হ'বলৈ আহ্বান জনায়। বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকি গোসাইগাওঁ মহকুমাৰ ভাৰপাপ্ত মহকুমাধিপতি মৃদুল বড়ো, এচ এচ বিৰ কামাণ্ডাৰ চিৰঞ্জীৱ ভট্টাচাৰ্য, মহকুমা কৃষি বিষয়া অসীম কুমাৰ শইকীয়া, মহকুমা পশুপালন আৰু পশু চিকিৎসা বিষয়া মুনীন্দ্ৰ নাথ তালুকদাৰে কৃষক ৰাইজক উদ্দেশ্যি বহুমূলীয়া ভাষণ প্ৰদান কৰে। কেন্দ্ৰটোৰ ভাৰপ্ৰাপ্ত মুৰব্বী সুনীল কুমাৰ পালৰ লগতে কেন্দ্ৰটোৰ বিভিন্ন বিভাগৰ বিজ্ঞানী আৰু বিষয়াকৰ্মচাৰীসকলে অনুষ্ঠানত অংশ গ্ৰহণ কৰে।

**কৃষি বিজ্ঞান কেন্দ্ৰ, চিৰাং ঃ** যোৱা ১৭ অক্টোবৰ তাৰিখে চিৰাং জিলাৰ কাজলগাওঁস্থিত কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগতো জিলাখনৰ বিভিন্ন প্ৰান্তৰ প্ৰায় দুই শতাধিক কৃষকৰ উপস্থিতিত প্ৰধানমন্ত্ৰী কৃষক সন্মান সন্মিলন অনুষ্ঠিত হৈ যায়। অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ ৰৌণগৌৰা নাৰ্জাৰী, চিৰাঙৰ অতিৰিক্ত উপায়ুক্ত নিৰ্মালি বৰুৱা, জিলা কৃষি বিষয়া বেণুধৰ বৰ্মন, মীন সম্প্ৰসাৰণ বিষয়া মুকুট শৰ্মা আৰু পশু সম্প্ৰসাৰণ বিষয়া উপেন কলিতাই অংশ গ্ৰহণ কৰে। কেন্দ্ৰটোৰ মুৰব্বী ড° চন্দন কুমাৰ ডেকাই উদ্দেশ্য ব্যাখ্যা তথা আদৰণী ভাষণ আগবঢ়ায়। মুখ্য অতিথিৰ ভাষণত ৰৌণগৌৰা নাৰ্জাৰীয়ে কৃষকৰ আয় দুগুণ কৰাৰ বাবে লোৱা চৰকাৰী পদক্ষেপৰ ভূয়সী প্ৰশংসা কৰে আৰু এই উদ্দেশ্যত সফল হ'বলৈ কৃষক, বিভিন্ন বিভাগ আৰু চৰকাৰৰ সন্মিলিত প্ৰচেষ্টাৰ প্ৰয়োজন আছে বুলি মত পোষণ কৰে। ইয়াৰ পিছতেই নতুন দিল্লীৰ পৰা পোনপটীয়াকৈ সম্প্ৰচাৰ হোৱা প্ৰধানমন্ত্ৰীৰ কৃষক সন্মান সন্মিলনৰ ভাষণ প্ৰত্যক্ষ দৰ্শন কৰোৱা হয়।

**কৃষি বিজ্ঞান কেন্দ্ৰ, দৰং ঃ** যোৱা ১৬ অক্টোবৰ তাৰিখে দৰং কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগতো প্ৰধানমন্ত্ৰী কৃষক সন্মান সন্মিলন অনুষ্ঠিত হৈ যায়। কেন্দ্ৰটোৰ মুৰব্বী ড° আব্দুল হাফিজৰ আদৰণী ভাষণেৰে আৰম্ভ হোৱা এই অনুষ্ঠানত মীন উন্নয়ন নিগম, অসমৰ অধ্যক্ষ গুৰুজ্যোতি দাস মুখ্য অতিথিৰূপে উপস্থিত থাকি ভাষণ প্ৰদান কৰি কৃষকসকলক কৃষি বিজ্ঞান কেন্দ্ৰ আৰু জিলা কৃষি বিভাগৰ বিভিন্ন প্ৰকল্পৰ বিষয়ে অৱগত কৰি লাভালাভ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত জিলা উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মা, জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰুপম হাজৰিকা আৰু জিলা কৃষি বিষয়া জ্যোতিষ নাথ আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকি সাৰুৱা ভাষণ প্ৰদান কৰে। কেন্দ্ৰটোৰ পাম পৰিচালক হেঙুল জ্যোতি শালৈয়ে আঁত ধৰা অনুষ্ঠানটোত জিলাখনৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ৩০০ লোক উপস্থিত থাকে। শলাগৰ শৰাই আগবঢ়ায় কেন্দ্ৰটোৰ বিষয়বস্তু বিশেষজ্ঞা মেৰী সাধনা শৰ্মাই।

(১ পৃষ্ঠাৰ ৩ কলমৰ পৰা)

## কৃষক উৎপাদক সংস্থাৰ অভি..

উদ্ভাৱনসমূহৰ সুবিধাসমূহ লৈ আগবাঢ়িব লাগিব। অনুষ্ঠানত বিশিষ্ট অতিথিৰ ভাষণত জনস্বাস্থ্য কাৰিকৰী আৰু পৰ্যটন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কয় যে কৃষি ক্ষেত্ৰত হোৱা গৱেষণা আৰু আঁচনিৰ সুবিধাৰ বিষয়ে কৃষক অৱগত হ'ব লাগিব। অসমৰ কৃষি তুলনামূলকভাৱে বিশ্লেষণ কৰি আগবাঢ়ি যাব লাগিব। কৃষিৰ ক্ষেত্ৰত কৃষি বিশ্ববিদ্যালয়ৰ দায়িত্ব আছে আৰু গৱেষণাৰ প্ৰয়োজন আছে। সকলো ঠাইৰ ভূমি পৃথক পৃথক বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে দিল্লীৰ পৰা কৃষি ক্ষেত্ৰত এটা আঁচনি প্ৰস্তুত কৰি পঠালে সেই আঁচনি অসমত উপযুক্ত নহ'বও পাৰে। কিয়নো অসমৰ মাটিৰ বাবে অসমৰ সমাজ ব্যৱস্থাৰ বাবে সেইটো সঠিক হ'বনে নহয় সেইটো পৰীক্ষা কৰিব লাগিব। মন্ত্ৰীগৰাকীয়ে কয় যে পূৰ্বতে পঢ়া-শুনা কৰা ছাত্ৰ-ছাত্ৰীসকলে মেডিকেল, ইঞ্জিনীয়াৰিং আদি প্ৰথমে পঢ়ে। আজি যিসকলে কৃষি বিভাগত চাকৰি কৰিছে সেইসকল গাঁৱৰ পৰা অহা মেধাবী লোক। এইসকলে যদি কৃষি ক্ষেত্ৰৰ উন্নতিৰ কথা নাভাবে তেতিয়া পৰবৰ্তী প্ৰজন্মই কি কৰিব বুলি প্ৰশ্ন কৰি কৃষি ক্ষেত্ৰত নতুন নতুন গৱেষণাৰ প্ৰয়োজন আছে বুলি কয়। অনুষ্ঠানটোত পৌৰহিত্য কৰি দিয়া ভাষণত অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কৃষক উৎপাদক সংস্থা গঠনৰ জৰিয়তে দেশত জাগৰণ আনিব বিচাৰিছে। অসম কৃষি বিশ্ববিদ্যালয়েও এই দিশত পদক্ষেপ লৈ এশটা কৃষক উৎপাদক সংস্থা গঠনৰ দিশত আগবাঢ়িছে। বিশ্ববিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষা সঞ্চালক তথা অভিবৰ্তনৰ আয়োজক সমিতিৰ সভাপতি ড° প্ৰসন্ন কুমাৰ পাঠকে আদৰণী ভাষণ আগবঢ়োৱা সভাখনত ভাৰতীয় কিষাণ সংঘৰ সাংগঠনিক সম্পাদক দীনেশ কুলকাৰ্নিয়ে ভাষণ আগবঢ়ায় কয় যে কৃষিৰ লাভ কৃষকে কিমান পাইছে সেয়া কৃষকৰ দৃষ্টিৰে চাব লাগিব। এই ধাৰণাৰ ভিত্তিতে কৃষক উৎপাদক সংস্থাৰ চিন্তা কৰা হৈছে, যাতে কৃষকৰ নিজৰ উন্নতিৰ চিন্তা নিজেই কৰিব পাৰে। ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই ভাষণ আগবঢ়ায় কয় যে দেশৰ জনসংখ্যাৰ তুলনাত কৃষকৰ সংখ্যা হ্ৰাস পাইছে। নগৰীকৰণ, উদ্যোগীকৰণ ব্যৱস্থাই আমাৰ মানুহক বেলেগ দিশলৈ লৈ গৈছে। এনেবোৰ কাৰণতে ভাৰত চৰকাৰে কৃষক উৎপাদক সংস্থা গঠন কৰি উপান্ত কৃষকসকলৰ উন্নতিৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী গৰাকীয়ে ১০ হাজাৰ কৃষক উৎপাদক গোট গঠন কৰিবলৈ চেষ্টা কৰিছে। আয়োজক সমিতিৰ সম্পাদক ড° ৰূপম বৰগোহাঁয়ে বক্তব্য আগবঢ়োৱা সভাখনত 'পথাৰ আৰু বজাৰ' নামৰ কৃষিভিত্তিক ম'বাইল এপ, ই-অফিচ প্লেটফৰ্ম, এখন গ্ৰন্থও উন্মোচন কৰা হয়।

অভিবৰ্তনৰ দ্বিতীয় দিনা ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ কৃষক উৎপাদক সংস্থাৰ পাঁচ শতাধিক প্ৰতিনিধিৰ অংশ গ্ৰহণেৰে তিনিখন কাৰিকৰী দিশৰ আলোচনা সত্ৰ অনুষ্ঠিত হয়। এই অনুষ্ঠানত ৰাজ্যৰ কৃষক উৎপাদক সংস্থাৰ তথা কৃষিৰ বিভিন্ন দিশৰ লগত জড়িত অভিজ্ঞ ব্যক্তিসকলে পৰ্যালোচনা আগবঢ়ায়। অসম কৃষি বিশ্ববিদ্যালয়ৰ অভিজ্ঞ অধ্যাপক আৰু বিজ্ঞানীসকলে আলোচনা সত্ৰত কৃষি আৰু আনুসংগিক ক্ষেত্ৰৰ জৰিয়তে উপকৃত হ'ব পৰা বিভিন্ন দিশৰ ব্যাখ্যা আগবঢ়ায়। অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাৰ উপস্থিতিত অনুষ্ঠিত এই পৰ্যালোচনাত কেইবাজনো উদ্যোগী কৃষক আৰু কৃষি উদ্যোগীয়ে দৃশ্য-শ্ৰাব্য মাধ্যমৰ জৰিয়তে মতামত আগবঢ়ায়। অসম কৃষি বিশ্ববিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন কুমাৰ পাঠকৰ তত্বাৱধানত আয়োজন কৰা এই অনুষ্ঠানত অসমত কৃষক উৎপাদক কোম্পানী (এফ পি চি)ৰ গঠন আৰু প্ৰচাৰৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে জড়িত সহযোগী বিভাগসমূহৰ লগতে অন্যান্য চৰকাৰী-বেচৰকাৰী সংস্থাসমূহৰ বহুসংখ্যক কৰ্মীয়েও অংশগ্ৰহণ কৰি অসমৰ সামগ্ৰিক কৃষি ক্ষেত্ৰত উত্তৰণৰ বাবে পৰ্যালোচনা আগবঢ়ায়। ৰাজ্যখনত এফ পি চি আন্দোলনৰ সফলতাৰ বাবে তাৎপৰ্যপূৰ্ণ বিষয়সমূহৰ ওপৰত আলোচনা কৰিবলৈ সংশ্লিষ্ট সংস্থা আৰু ব্যক্তিসকলক এক মঞ্চ প্ৰদান কৰাৰ ধাৰণাৰে আৰু সমগ্ৰ ৰাজ্যজুৰি এফ পি চি সমূহৰ গুৰুসকলক পৰামৰ্শ দিয়ে। এই অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ বিশেষ বিষয়াসকল, সঞ্চালকসকলৰ লগতে গৱেষক বিজ্ঞানীসকলো উপস্থিত থাকে। অসমত কৃষক উৎপাদক সংস্থাৰ জৰিয়তে কৃষিক্ষেত্ৰ তথা কৃষকৰ সামগ্ৰিক উত্তৰণৰ দিশত নতুনত্বৰ সন্ধান দিব পৰা ভৱিষ্যদৰ্শী পৰিকল্পনাৰে অসম কৃষি বিশ্ববিদ্যালয়ত অনুষ্ঠিত কৃষক উৎপাদক সংস্থাৰ (এফ পি চি)ৰ দুদিনীয়া ৰাজ্যিক অভিবৰ্তনৰ সামৰণি পৰে।

## কাতি-আঘোণ মাহৰ সম্ভাব্য কীট-পতংগৰ নিয়ন্ত্ৰণ ব্যৱস্থাপনা

◆ বৰ্ত্তমান ধানৰ থোৰকটা শুৰপোক আৰু গোন্ধীপোকৰ আবিৰ্ভাৱৰ সময়। ধানৰ থোৰকটা শুৰপোকৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কৃষকসকলে সমবায় ভিত্তিত আগবঢ়া প্ৰয়োজন। পথাৰৰ চৌপাশে পাউদাৰজাতীয় কীটনাশক (মালাথিয়ন ৫%/ কুইনলফচ ১.৫%/ ক্ল'ৰপাইৰিফচ ১%) ৩-৪ কিঃগ্ৰাঃ প্ৰতি বিঘা মাটিৰ আলিবোৰত প্ৰয়োগ কৰাৰ পাছত, কুইনলফচ ২৫ইচি/ ক্ল'ৰপাইৰিফচ ২০ ইচি/ মনক্ৰটফচ ৩৬ এচ.এল. এই কীটনাশকৰ যিকোনো এটা ধাননিৰ মাজত প্ৰয়োগ কৰা উচিত। ৰাসায়নিক কীটনাশক ব্যৱহাৰ কৰা পথাৰত বা কাষত গৰু-ছাগলী, হাঁহ আদি চৰিবলৈ দিয়া অনুচিত। গান্ধীপোকৰ নিয়ন্ত্ৰণৰ বাবে মালাথিয়ন ৫% পাউদাৰ বিঘাই প্ৰতি ৩-৪ কিঃগ্ৰাঃকৈ গাখীৰতি অৱস্থাত প্ৰয়োগ কৰিব লাগে।

◆ ইফালে পাচলিবাৰীত আলুৰ ভুৰপোকৰ আক্ৰমণৰ অনুকুল সময়। কণীফুটি নকৈ ওলোৱা পলুৱে আলু পুলিৰ গা-গছ আক্ৰমণ কৰে। আলুখেতি কৰিবলৈ লোৱা মাটিডৰাৰ ওচৰত নিশাৰ ভাগত জুই ধৰাৰ ব্যৱস্থা কৰিলে ভুৰপোকৰ পখিলা জুইৰ পোহৰলৈ আকৰ্ষিত হোৱাৰ ফলত লেলিহান শিখাত জাহ গৈ পৰবৰ্ত্তী বংশ বিস্তাৰণত বাধাপ্ৰাপ্ত হয়। তদুপৰি চহাই থোৱা মাটিত লোৰ খান্দি কুইনলফচ ২৫ ইচি নতুবা ক্ল'ৰপাইৰিফচ ২০ ইচি দৰৱৰ চাৰি চাহচামোচ ১০ লিটাৰ পানীত মিহলাইপ্ৰয়োগ কৰক।

◆ জলকীয়া, বিলাহী আদি শস্যৰ হালধীয়া চাঁহীপোকৰ আক্ৰমণৰ বাবে এতিয়াৰ বতৰ যথেষ্ট অনুকুল। এই প্ৰকাৰৰ চাঁহীপোকৰ আক্ৰমণ কুমলীয়া অংশৰ পৰা আৰম্ভ হয় আৰু ইয়াৰ ফলত পাতৰ তলপিঠিৰ সেউজীয়া বৰণ সলনি হৈ মুগা ৰঙৰ হয় আৰু আক্ৰান্ত পাতখিলা নাৱৰ দৰে ওলোটা হয়। বিশেষজ্ঞৰ পৰামৰ্শমতে ফেনাজাকুইন ১০ ইচি দৰৱৰ ১ চাহচামোচ ১০ লিটাৰ পানীত মিহলাই গছত ছটিয়াব লাগে।

◆ বেঙেনাৰ আগ আৰু ফল বিন্ধোৱা পোকৰ আক্ৰমণ পৰিলক্ষিত হ'লে ডিম্ব পৰজীৱি "ট্ৰাইক'গ্ৰামা কাইল'নিজ" বিঘাই প্ৰতি ২০,০০০ কৈ ১০ দিনৰ অন্তৰালত ৩-৪ বাৰ প্ৰয়োগ কৰক। "লিউচি লিউৰ" যুক্ত ফেৰোম'ন ফান্দ ব্যৱহাৰ কৰিও বেঙেনাৰ আগ আৰু ফল বিন্ধোৱা পোকক নিয়ন্ত্ৰণ কৰিব পাৰি।

পতংগবিদ্যা বিভাগ, অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট - ১৩

**বছৰেকীয়া বৰঙণি ঃ** ১০.০০ টকা। **প্ৰতিখনৰ মূল্য ঃ** ১.০০ টকা। **প্ৰকাশৰ স্থান ঃ** অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট - ১৩। সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন কুমাৰ পাঠকৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত। অসম কৃষি বিশ্ববিদ্যালয় অফছেট ছপাশাল, যোৰহাট - ১৩ ত মুদ্ৰিত। **মুখ্য সম্পাদক ঃ** ড° ৰণজিৎ কুমাৰ সাউদ